**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
----------------------

ৰাজ্য চৰকাৰে বসুন্ধৰা তৃতীয় পৰ্যায়ৰ আবেদনৰ সময়সীমা ১০ জানুৱাৰীলৈ বৃদ্ধি কৰিছে। কালি জাৰি কৰা এই অধিসূচনা অনুসৰি বসুন্ধৰা তৃতীয় পৰ্যায় প'ৰ্টেলত আবেদনকাৰীয়ে অহা ১০ জানুৱাৰীৰ মাজনিশালৈ আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে যাতে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ আবেদন কৰিব পাৰে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক অধিসূচনাযোগে নিৰ্দেশ প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ বসুন্ধৰাৰ বাবে ২০২৪ বৰ্ষৰ ১৫ অক্টোবৰত অধিসূচনা জাৰি কৰা হৈছিল। সেই অনুসৰি ২০২৪ বৰ্ষৰ ৩১ ডিচেম্বৰৰ মাজনিশা পৰ্যন্ত আবেদন দাখিল কৰাৰ সময়সীমা বান্ধি দিয়া হৈছিল।

oooooo

গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ২০২৫ বৰ্ষৰ ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যবাসীৰ সামগ্ৰিক কল্যাণ আৰু বিকাশৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে কেইবাটাও প্ৰকল্পৰ বাবে মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন দিয়ে।

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল কৰাৰ উদ্দেশ্যে 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেলৰ জৰিয়তে সম্পাদনা কৰাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়। মন্ত্ৰীসভাৰ কালিৰ বৈঠকে ২০৭ কোটি ৯২ লাখ টকা ব্যয়সাপেক্ষে শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ আৰু উত্তৰ লক্ষিমপুৰ নগৰত নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত সকলো ঘৰলৈ খোৱা পানী যোগানৰ আন এখন আঁচনিতো অনুমোদন জনায়। জন্ম-মৃত্যুৰ পঞ্জীয়ন ব্যৱস্থা অধিক সাৱলীল কৰাৰ বাবে অসম জন্ম-মৃত্যু পঞ্জীয়ন সংশোধনী নিয়মাৱলী ২০২৪ টো মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়।

oooooo

অসম কৃষি বিশ্ববিদ্যালয়ক দেশৰ ভিতৰত অগ্ৰণী কৃষি শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে বিশেষ পৰিকল্পনা লোৱা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই কালি বিশ্ববিদ্যালয় পৰিয়ালৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰযুক্তি কৌশল উদ্ভাৱন আৰু সেই সময়ৰ বাণিজ্যিকীকৰণৰ জৰিয়তে লাভ অৰ্জন কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। বিগত বৰ্ষত তিনিটা নতুন জাত, ৬৫ টা এনে প্ৰযুক্তি কৌশলৰ উদ্ভাৱন আৰু ৪টা পেটেণ্ট লাভ কৰি বিশ্ববিদ্যালয়খনে সফলতা অৰ্জন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। ড° ডেকাই কয়, যে উদ্ভাৱনী দক্ষতা বৃদ্ধিৰ বাবে নতুন ষ্টাৰ্টআপ আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয়, যে বিশ্ববিদ্যালয়খনৰ উদ্ভাৱনৰ ভিতৰত ১৯ বিধ সামগ্ৰী অনলাইনযোগে দেশ-বিদেশৰ লোকে পাব পৰাকৈ ব্যৱস্থা লোৱা হৈছে।

০০০০০০

তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত নাজিৰাটিং তামুলী পৰ্যটন উৎসৱৰ আজি সামৰণি পৰিব। ডিগবৈৰ বিধায়ক সুৰেণ ফুকনে কালি পুৱা পতাকা উত্তোলন কৰি ডিব্ৰু নৈৰ পাৰত দুদিনীয়াকৈ অনুষ্ঠিত এই উৎসৱৰ শুভাৰম্ভ কৰে। ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলীয়েও উৎসৱত ভাগ লয়।

০০০০০০

বিশিষ্ট কথাশিল্পী সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজৰ উদ্যোগত আজি বিয়লি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ এলামনায় হলত আয়োজিত **সৌৰভ কুমাৰ চলিহাৰ কাহিনীত শৈলীগত সুক্ষ্মতা** শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট লেখক তথা সাংবাদিক অৰূপ কুমাৰ দত্তই। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সৌৰভ কুমাৰ চলিহা চৰ্চাৰ বক্তৃতা সংকলন **ভাল খবৰৰ বৰ্ণমালা** উন্মোচন কৰে বিশিষ্ট বিজ্ঞান লেখক তথা বিজ্ঞানী ড০ দিনেশ চন্দ্ৰ গোস্বামীয়ে। তেওঁৰ মূল বক্তৃতাত অধ্যাপক অৰূপ কুমাৰ দত্তই নগৰীয়া জীৱনৰ চমৎকাৰ প্ৰকাশ সৌৰভ চলিহাৰ গল্পত ঘটিছিল বুলি উল্লেখ কৰে আৰু তেওঁৰ গল্প ইংৰাজী ভাষাত লিখাহেঁতেন সৌৰভ চলিহাক অসমীয়া লেখক বুলি ধৰিব পৰা নগ'লহেঁতেন বুলি মন্তব্য কৰে।

০০০০০০

তিনিচুকীয়াত পৰিৱেশ সুৰক্ষা সমিতি অসমৰ উদ্যোগত তৃতীয় বাৰ্ষিক গছপুলি প্ৰতিপালন দিৱস আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি তিনিচুকীয়া পৌৰসভাৰ ঘৰে ঘৰে পেলনীয়া সামগ্ৰী সংগ্ৰহ কৰি নিৰ্দিষ্ট স্থানত পেলাই চহৰখনৰ স্বচ্ছতাত বিশেষ অৰিহণা যোগাই অহা চাফাই কৰ্মীক সম্বৰ্ধনা জনোৱা হয়। জিলাখনত বছৰজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হ'ব বুলি পৰিৱেশ সুৰক্ষা সমিতিৰ সভাপতি উল্লেখ কৰে।

০০০০০০

বিশিষ্ট কথাশিল্পী সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজৰ উদ্যোগত কালি বিয়লি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ এলামনায় হলত আয়োজিত সৌৰভ কুমাৰ চলিহাৰ কাহিনীত শৈলীগত সুক্ষ্মতা শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট লেখক তথা সাংবাদিক অৰূপ কুমাৰ দত্তই। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সৌৰভ কুমাৰ চলিহা চৰ্চাৰ বক্তৃতা সংকলন ভাল খবৰৰ বৰ্ণমালা উন্মোচন কৰে বিশিষ্ট বিজ্ঞান লেখক তথা বিজ্ঞানী ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে। তেওঁৰ মূল বক্তৃতাত অধ্যাপক অৰূপ কুমাৰ দত্তই নগৰীয়া জীৱনৰ চমৎকাৰ প্ৰকাশ সৌৰভ চলিহাৰ গল্পত ঘটিছিল বুলি উল্লেখ কৰে আৰু তেওঁৰ গল্প ইংৰাজী ভাষাত লিখাহেঁতেন সৌৰভ চলিহাক অসমীয়া লেখক বুলি ধৰিব পৰা নগ'লহেঁতেন বুলি মন্তব্য কৰে।

০০০০০০

যোৰহাট আৰক্ষীয়ে পথ দুৰ্ঘটনা ৰোধৰ ব্যৱস্থাৰ অংশ হিচাপে মঙলবাৰে সন্ধিয়াৰ পৰা কালি সন্ধিয়ালৈকে সুৰাপায়ী গাড়ী চালকৰ বিৰুদ্ধে অভিযান চলাই অৰ্ধ লক্ষাধিক টকাৰ জৰিমণা সংগ্ৰহ কৰাৰ লগতে ১৬ জন গাড়ী চালকৰ অনুজ্ঞা পত্ৰ সাময়িকভাৱে বাতিল কৰে। যানবাহন শাখাৰ আৰক্ষীয়ে যোৰহাট নগৰত পৰহি চলোৱা অভিযানৰ সময়ত সুৰাপান কৰি গাড়ী চলোৱাৰ অভিযোগত ৯ জন লোকৰ আৰু কালি ৭ জন লোকক যান-বাহন চলোৱাৰ অনুজ্ঞাপত্ৰ সাময়িকভাৱে বাতিল কৰে। ইয়াৰ উপৰি বহুকেইটা গোচৰ আদালতলৈও প্ৰেৰণ কৰা হৈছে।

০০০০০০

সমাপ্ত